**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-01-2026
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**:::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত শীঘ্ৰেই বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে মন্তব্য কৰে।

২। অপাৰেচন সিন্দুৰৰ সময়ছোৱাত ডি আৰ ডি অ'ৰ অস্ত্ৰ-শস্ত্ৰই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি সংস্থাটোৰ দায়বদ্ধতাক চিহ্নিত কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে।

৩। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে আজি নতুন দিল্লীত আকাশবাণীৰ ভৱনত বন্দে মাতৰম ৰাষ্ট্ৰীয় গীতটিৰ দুটা সংস্কৰণ উন্মোচন কৰে।

৪। ভাৰতীয় ৰে'লৰ নৱতম সংযোজন - বন্দে ভাৰত শ্লীপাৰ ৰে'ল সেৱা অসমতো প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে।

*আৰু*

৫। গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলৰ বাবে চৰকাৰৰ অভিলাষী আঁচনি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাই আজি ৯ বছৰ সম্পূৰ্ণ কৰিলে।

০০০০

ভাৰত শীঘ্ৰেই বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে আৰু ভাৰতৰ অৰ্থনৈতিক বৃদ্ধিক ত্বৰান্বিত কৰাত কৃত্ৰিম বুদ্ধিমত্তাই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতিভৱনত অনুষ্ঠিত Skilling for AI Readiness শীৰ্ষক এটা বিশেষ অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইদৰে মন্তব্য কৰে।ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা কেৱল এটা প্ৰযুক্তি নহয়, বৰং ই ভাৰতক ইতিবাচক দিশলৈ পৰিৱৰ্তন কৰা এটা সুযোগ। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লগতে কয়, যে সমাগত দশকত দেশৰ জি ডি পি, নিয়োগ আৰু সামগ্ৰীক উৎপাদনশীলতাত কৃত্ৰিম বুদ্ধিমত্তাই বিশেষ ভূমিকা গ্ৰহণ কৰিব। তেওঁ লগতে ডাটা বিজ্ঞান, কৃত্ৰিম বুদ্ধিমত্তা অভিযান্ত্ৰীকিকৰণ, তথ্য বিশ্লেষণৰ দৰে দক্ষতাই দেশৰ কৃত্ৰিম বুদ্ধিমত্তা টেলেণ্ট টুল গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে ভাৰতৰ দৰে এখন যুৱ শক্তিৰে ভৰপূৰ দেশত কৃত্ৰিম বুদ্ধিমত্তা কেৱল মাত্ৰ প্ৰযুক্তি নহয়, বৰং ই দেশক ইতিবাচক পৰিৱৰ্তনৰ দিশলৈ লৈ যোৱাৰ সোণালী সুযোগ। তেওঁ লগতে কয়, যে বৰ্তমান কৃত্ৰিম বুদ্ধিতমত্তাৰ দ্ৰুত বিকাশ হৈছে আৰু এই প্ৰযুক্তি শিকি লোৱাটো সকলোৰে বাবে প্ৰয়োজনীয় হৈ উঠিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে উল্লেখ কৰে যে, কেন্দ্ৰীয় চৰকাৰে বিভিন্নে প্ৰতিষ্ঠান, ঔদ্যোগিক অংশীদাৰ আৰু শিক্ষানুষ্ঠানৰ সহযোগত কেৱল প্ৰযুক্তিৰ উদ্ভাৱনতেই গুৰুত্ব প্ৰদান কৰা নাই বৰং এটা ভৱিষ্যতৰ আকাৰ দিয়াৰ

ক্ষেত্ৰতো দায়বদ্ধতাৰে কাম কৰি আহিছে। এই অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা তথা শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীও উপস্থিত থাকে।

০০০০

অপাৰেচন সিন্দুৰৰ সময়ছোৱাত ডি আৰ ডি অ'ই উন্নীত কৰা  অস্ত্ৰ-শস্ত্ৰই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি সংস্থাটোৰ দায়বদ্ধতাক চিহ্নিত কৰিছে। নতুন দিল্লীত অৱস্থিত ডি আৰ ডি অ'ৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংস্থাটোৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি এই মন্তব্য কৰে। শ্ৰী সিঙে কয়, যে ডি আৰ ডি অ'ই ভাৰতৰ শসস্ত্ৰ বাহিনীক অত্যাধুনিক প্ৰযুক্তিৰে সজ্জিত কৰি দেশৰ থলুৱা সামৰ্থক শক্তিশালী কৰি তোলাৰ বাবে সংস্থাটোক প্ৰশংসা কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ডি আৰ ডি অ'ৰ অস্ত্ৰ-শস্ত্ৰসমূহে অপাৰেচন সিন্দূৰৰ সময়ত সুন্দৰভাৱে কাম কৰাৰ বাবে  সেনাবাহিনীৰ লোকসকলৰ নৈতিক মনোবল বৃদ্ধি কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা সুদৰ্শন চক্ৰৰ সৃষ্টিৰ সময়তো ডি আৰ ডি অ'য়ে মুখ্য ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে আস্থা প্ৰকাশ কৰে। এই পদক্ষেপৰ জৰিয়তে পৰৱৰ্তী দশকত আকাশমাৰ্গৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ডি আৰ ডি অ'ই মুখ্য দায়িত্বভাৰ গ্ৰহণৰ নিশ্চয়তা প্ৰদান কৰিব। অপাৰেচন সিন্দূৰৰ সময়ছোৱাৰ সাক্ষী হোৱাৰ অভিজ্ঞতাৰে আধুনিক যুদ্ধযাত্ৰাত আকাশমাৰ্গৰ প্ৰতিৰক্ষাৰ গুৰুত্বত আলোকপাত কৰি শ্ৰী সিঙে কয়, যে ডি আৰ ডি অ'ই আন্তৰিকতাৰে এই লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰিব। পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই প্ৰযুক্তিগত পৰিস্থিতি তন্ত্ৰৰ অনুকূল হোৱাকৈ আধুনিক অস্ত্ৰপাতি নিৰ্মাণত ডি আৰ ডি অ'ই গুৰুত্ব আৰোপ কৰিবলৈ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ সংস্থাটোক উদ্ভাৱন আৰু ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ সুবিধা হোৱাকৈ অধিক ক্ষেত্ৰত চিনাক্ত কৰিবলৈ আহ্বান জনায়।

এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা গৱেষণা আৰু    উন্নয়ন বিভাগ ডি আৰ ডি অ'ৰ সচিব আৰু অধ্যক্ষ ড০ সমীৰ ভি কামাটৰ সৈতে ২০২৫ চনত সংস্থাটোৰ কৃতিত্ব আৰু চলি থকা কামকাজসমূহৰ বিষয়ে আলোচনা কৰে। ২০২৬ চনত সংস্থাটো উন্নীত কৰাৰ লক্ষ্যৰে লোৱা বিভিন্ন সংস্কাৰমূলক কাৰ্যৰো মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেথৰ লগতে ডি আৰ ডি অ'ৰ সঞ্চালক প্ৰধান, কৰ্পোৰেট সঞ্চালক, বিজ্ঞানী আৰু জ্যেষ্ঠ বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০

প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে আজি নতুন দিল্লীত আকাশবাণীৰ ভৱনত বন্দে মাতৰম ৰাষ্ট্ৰীয় গীতটিৰ দুটা সংস্কৰণ উন্মোচন কৰে। উল্লেখযোগ্য যে, বন্দে মাতৰমৰ ১৫০ বছৰীয়া জয়ন্তীৰ স্মৃতিত এই সংস্কৰণ সমূহ ডিজিটেলভাৱে মুকলি কৰা হৈছিল। এই সন্দৰ্ভত ভাষণ দি শ্ৰী দ্বিবেদীয়ে কয়, যে বন্দে মাতৰম কেৱল স্বাধীনতা আন্দোলনৰ গীত নহয়, বৰঞ্চ জাতীয় ঐক্য আৰু অখণ্ডতাৰ স্থায়ী প্ৰতীক। তেওঁ লগতে উল্লেখ কৰে যে, বিভিন্ন সংগীত শৈলীত উপস্থাপন কৰা এই গীতটোৰ বিভিন্ন সংস্কৰণে দেশৰ নাগৰিকৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাব আৰু জাতিটোৰ সাংস্কৃতিক বৈচিত্ৰক শক্তিশালী কৰিব। আকাশবাণীৰ সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে কয়, যে দেশবাসীয়ে বন্দে মাতৰমক কেৱল গীত হিচাপে নহয়, শ্লোগান আৰু প্ৰণাম হিচাপেও গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, বন্দে মাতৰমৰ দুয়োটা সংস্কৰণৰ সুৰকাৰ ওস্তাদ জোহৰ আলীয়ে গীতটোৰ এটা সংস্কৰণ কৰ্ণাটকী আৰু আনটো হিন্দুস্তানী শৈলীত প্ৰস্তুত কৰা হৈছে বুলি প্ৰকাশ কৰে।

০০০০

ভাৰতীয় ৰে'লৰ নৱতম সংযোজন - বন্দে ভাৰত শ্লীপাৰ ৰে'ল সেৱা অসমতো প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। গুৱাহাটী আৰু কলকাতাৰ মাজত এই নতুন বন্দে ভাৰত শ্লীপাৰ সেৱা প্ৰৱৰ্তন কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খন্তেক সময় আগতে তেওঁৰ ফে'চবুক পে'জ যোগে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে ২০২৩ চনত প্ৰৱৰ্তন কৰা বন্দে ভাৰত ৰে'ল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰে'লগাড়ীখনে ঘণ্টাৰ সৰ্বোচ্চ ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম কৰিছে। গুৱাহাটী আৰু কলকাতাৰ মাজত প্ৰস্তাৱিত এই বন্দে ভাৰত শ্লীপাৰ সেৱাৰ সময়সূচী এতিয়ালৈকে ঘোষণা হোৱা নাই যদিও মহানগৰ দুখনৰ মাজৰ প্ৰায় এহেজাৰ কিলোমিটাৰ দূৰত্ব এই ৰে'লগাড়ীখনে প্ৰায় ৮-৯ ঘণ্টাৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে।

০০০০

গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলৰ বাবে চৰকাৰৰ অভিলাষী আঁচনি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাই আজি ৯ বছৰ সম্পূৰ্ণ কৰিলে। উল্লেখযোগ্য যে গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলৰ স্বাস্থ্য আৰু পুষ্টিৰ প্ৰতি লক্ষ্য ৰাখি ২০১৭ চনৰ ১ জানুৱাৰীত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। আঁচনিখনৰ অধীনত মাতৃসকলক প্ৰথমটো সন্তান জন্মৰ সময়ত ৫ হাজাৰ টকাকৈ আৰু দ্বিতীয়বাৰ কণ্যা সন্তান জন্ম হ'লে ৬ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। ইয়াৰে ৩ হাজাৰ টকাৰ প্ৰথমটো কিস্তি গৰ্ভাৱস্থাৰ পঞ্জীয়নৰ সময়ত আৰু ২ হাজাৰ টকাৰ দ্বিতীয়টো কিস্তি সন্তান জন্মৰ পাছত প্ৰদান কৰা হয়। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মেত এই আঁচনিৰ অধীনত ৪ কোটি ৫০ লাখ হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে আৰু ১৯ হাজাৰ কোটিৰো অধিক ধন মোকলাই দিয়া হৈছে। আঁচনিখনৰ জৰিয়তে গৰ্ভাৱস্থাৰ সময়ছোৱাত মাতৃসকলক পুষ্টিকৰ খাদ্য গ্ৰহণ, নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হয়।

০০০০

কেন্দ্ৰীয় চৰকাৰে পহিলা ফেব্ৰুৱাৰীৰ পৰা ধঁপাতজাতীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক আৰু পাণ মচলাৰ ওপৰত নতুন উপ-কৰ আৰোপ কৰা সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। ধঁপাতজাতীয় সামগ্ৰী আৰু পাণমচলাৰ ক্ষেত্ৰত আৰোপ কৰা এই নতুন শুল্ক সামগ্ৰী আৰু সেৱা কৰ জি এছ টিৰ হাৰত উপৰঞ্চি হ'ব আৰু এই শুল্কই এনে সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা বৰ্তমানৰ ক্ষতিপূৰণ উপকৰৰ ঠাই ল'ব।

পহিলা ফেব্ৰুৱাৰীৰ পৰা পাণ মচলা, চিগাৰেট, ধঁপাত আৰু এনেধৰণৰ সামগ্ৰীৰ ক্ষেত্ৰত ৪০ শতাংশ আৰু বিড়িৰ ক্ষেত্ৰত ১৮ শতাংশ জি এছ টি প্ৰযোজ্য হ'ব। ইয়াৰ উপৰি পাণ মচলাৰ ক্ষেত্ৰত স্বাস্থ্য আৰু উপকৰ বলৱৎ হ'ব। ধঁপাত আৰু আনুসংগিক সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত আবকাৰী শুল্ক প্ৰযোজ্য হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ